# অসম বিধান সভা
## তৰাবিহীন প্ৰশ্ন নং- ৪৮০
## উত্তৰ দানৰ তাৰিখ ২৩-০৭-২০২৬
***

বিষয়ঃ **এক্ট ইষ্ট পলিচি এফিয়াৰচ অধীনত গৃহিত আঁচনি সন্দৰ্ভত ।**

বিধায়কঃ শ্ৰী **ওয়াজেদ আলী চৌধুৰীঃ**

মাননীয় **এক্ট ইষ্ট পলিচি এফিয়াৰচ** বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) এক্টইষ্ট পলিচি এফিয়াৰচ বিভাগৰ অধীনত বিগত ৫(পাঁচ) বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ পৰা অসম চৰকাৰে কিমান ধন লাভ কৰিছে আৰু এই ধনৰ সাপেক্ষে কি কি আঁচনি ৰূপায়ণৰ বাবে গ্ৰহণ কৰা হৈছে ?

খ) এই আচঁনিৰ অধীনত ভাৰত- বাংলাদেশৰ মাজত ব্যৱসায় বাণিজ্য বৃদ্ধিৰ বাবে কি কি আন্ত:গাঁথনি উন্নয়নৰ কাম হাতত লোৱা হৈছে ?

গ) গোৱালপাৰাৰ পৰা মানকাচাৰ বাংলাদেশ সীমান্তলৈ উন্নতমানৰ ৰাস্তা নিৰ্মাণৰ আঁচনি এই বিভাগৰ অধীনত চৰকাৰে গ্ৰহণ কৰিব নে ?

ঘ) এক্ট ইষ্ট পলিচি গ্ৰহণ কৰাৰ ফলত দক্ষিণ পূৱ এছিয়াৰ লগত ব্যৱসায় বাণিজ্যত কিমান সফলতা অৰ্জন কৰা হৈছে সেই বিষয়ে জনাব ।

**উত্তৰঃ**

মাননীয় প্ৰাচ্য ভিত্তিক কাৰ্য্য নীতি পৰিক্ৰমা বিভাগ ( Act East Policy Affairs Department) ৰ **মন্ত্ৰী শ্ৰীযুত বিমল বড়া দেৱে** উত্তৰ দিব–

(ক) বিগত ৫(পাঁচ) বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ পৰা এক্ট ইষ্ট পলিচি এফিয়াৰচ বিভাগে কোনো ধৰণৰ বিত্তীয় সাহাৰ্য্য লাভ কৰা নাই । সেয়েহে, আঁচনি ৰূপায়ণৰ বিষয়টো প্ৰজোয্য নহয় ।

(খ) এই বিভাগে ৰূপায়ণ কৰিবলগীয়া আঁচনি নথকাৰ বাবে এই প্ৰশ্নটো প্ৰজোয্য নহয় ।

কিন্তু উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ প্ৰতিবেদন অনুসৰি ভাৰত-বাংলাদেশৰ মাজত ব্যৱসায় বাণিজ্য বৃদ্ধিৰ বাবে উল্লেখযোগ্য আন্তঃগাঁথনি উন্নয়নৰ কাম এনেধৰণৰ -

জোগীঘোপা মাল্টি-মডেললজিষ্টিক পাৰ্ক (MMLP), ভাৰতৰ প্ৰথম আন্তঃৰাষ্ট্ৰীয় মাল্টি-মডেল লজিষ্টিক পাৰ্ক| এই MMLP বঙাইগাঁও জিলাৰ জোগীঘোপা (পুৰণি Ashok Paper Mill চৌহদ) ত ব্ৰহ্মপুত্ৰ নদীৰ পাৰত 200 একৰ ভূমিত নিৰ্মীয়মাণ হৈ আছে। এইটো Bharatmala Pariyojana ৰ অধীনত অনুমোদিত হোৱা প্ৰথম MMLP আৰু সম্পূৰ্ণৰূপে কেন্দ্ৰীয় চৰকাৰৰ পুঁজিৰে NHIDCL (Road Transport & Highways মন্ত্ৰালয়ৰ অধীনস্থ) ৰ দ্বাৰা বাস্তৱায়িত হৈ আছে।

জোগীঘোপা অন্তৰ্দেশীয় জলপথ টাৰ্মিনেল (National Waterway-2): ইতিমধ্যে উদ্বোধন হৈছে আৰু বাংলাদেশলৈ শিল, কয়লা আদি পণ্য পৰিবহণ হৈ আছে।

ধুবুৰী-ফুলবাৰী দলং (NH-127B): জাপান আন্তৰ্জাতিক সহযোগিতা সংস্থা (JICA)ৰ পুঁজিৰে নিৰ্মীয়মাণ হৈ আছে, যিখন হৈ উঠিলে, মেঘালয়ৰ ফুলবাৰীৰ জৰিয়তে বাংলাদেশ সীমান্তৰ ওচৰৰ পথৰ সৈতে সংযুক্ত হ'ব আৰু তাৰ ফলত বাংলাদেশৰ লগত ব্যৱসায় বৃদ্ধি হোৱাৰ সম্ভাবনা আছে।

(গ) এই বিষয়ে অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগ (পথ) ৰ পৰা পোৱা তথ্য সমুহ তলত উল্লেখ কৰা হ'ল –

গোৱালপাৰা জিলাৰ আগিয়াৰ পৰা বাংলাদেশ সীমান্তৰ মানকাচাৰ সংযোগী পথৰ ভিতৰত অসমৰ অন্তৰ্গত অংশত লোক নিৰ্মাণ পথ বিভাগৰ অধীনত তলত উল্লেখ কৰা কাম দুটা হাতত লোৱা হৈছে ।

১) গোৱালপাৰা জিলাৰ আগিয়াৰ পৰা মেধিপাৰালৈ ( দৈৰ্ঘ্য ২৫.৫০৬ কি:মি ) ৰাস্তাৰ নিৰ্মাণৰ বাবে অসম মালা ৩.০ আঁচনিৰ অধীনত মুঠ ৭৯.৫৩৪ কোটি টকাৰ অনুমোদন পোৱা গৈছে আৰু ইয়াৰ কাম বৰ্তমান চলি আছে ।

২) হাতশিঙিমাৰিৰ পৰা মানকাচাৰলৈ (দৈৰ্ঘ্য ২৫.২০৯ কি:মি) ৰাস্তাৰ নিৰ্মাণৰ বাবে অসম মালা ৩.০ আঁচনিৰ অধীনত মুঠ ৯২.০০ কোটি টকাৰ অনুমোদন পোৱা গৈছে আৰু ইয়াৰ কাম বৰ্তমান চলি আছে।

তাৰোপৰি ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগমৰ ( National Highways & Infrastructure Development Corpn. Ltd. )পৰা পোৱা তথ্য অনুসৰি এই নিগমে এক্ট ইষ্ট পলিচিৰ অধীনত কোনো প্ৰকল্প ৰূপায়ণ কৰা নাই।

(ঘ) উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ পৰা পোৱা তথ্য অনুযায়ী এক্ট ইষ্ট পলিচী গ্ৰহণ কৰাৰ ফলত কূটনৈতিক আৰু বিনিয়োগ প্ৰতিশ্ৰুতিৰ ক্ষেত্ৰত উল্লেখযোগ্য অগ্ৰগতি দেখা গৈছে।

অসমৰ কৌশলগত ভৌগোলিক অৱস্থানে ইয়াক দক্ষিণ-পূৱ এছিয়াৰ দেশসমূহলৈ এক স্বাভাৱিক প্ৰৱেশদ্বাৰ হিচাপে প্ৰতিষ্ঠিত কৰিছে। এই অঞ্চলতে বিশ্বৰ প্ৰায় ৩০% জনসংখ্যাই বাস কৰে, যাৰ ফলত অসম বাণিজ্য আৰু বিনিয়োগৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে গঢ়ি উঠাৰ অপাৰ সম্ভাৱনা লাভ কৰিছে। জাগীৰোডত স্থাপন হ'বলগীয়া TSAT চেমিকণ্ডাক্টৰ প্ৰকল্পৰ উৎপাদিত সামগ্ৰীৰ দক্ষিণ-পূৱ এছিয়াৰ বজাৰলৈ ৰপ্তানী হোৱাৰ সম্ভাৱনা আছে। দক্ষিণ-পূৱ এছিয়াৰ দেশসমূহৰ সৈতে বাণিজ্যিক সম্পৰ্ক অধিক সুদৃঢ় হোৱাৰ ফলত পৰ্যটন, শিক্ষা, স্বাস্থ্যসেৱা আৰু অন্যান্য সহযোগী খণ্ডতো পাৰস্পৰিক সহযোগিতা বৃদ্ধি পোৱাৰ আশা কৰা হৈছে।

এডভান্টেজ অসম ২.০-এ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অভূতপূৰ্ব সঁহাৰি লাভ কৰে।Ambassadors' Meet-ৰ জৰিয়তে অসমে ৩৫টা কূটনৈতিক মিছনৰ সৈতে ফলপ্ৰসূ মত বিনিময় সম্পন্ন কৰে। এই সন্মিলন ত৭৫ খন দেশৰ প্ৰতিনিধি দলে অংশ গ্ৰহণ কৰে। ইয়াৰ ভিতৰতভুটান, ইণ্ডোনেছিয়া, জাপান, মালয়েছিয়া, ছিংগাপুৰ, আৰু থাইলেণ্ডকে ধৰি ছয়খন অংশীদাৰ দেশৰ প্ৰতিনিধিৰ লগতে ৬৭গৰাকী Head of Mission আৰু ১২টা প্ৰধান দ্বিপাক্ষিক সংস্থাৰ প্ৰতিনিধি সকলো উপস্থিত আছিল।